**REGIONAL News Unit**

All India Radio, Guwahati

0000000000

**Date : 29**-07-2024

**Time :** 1715Hrs.

***Assamese REGIONAL EVENING Bulletin***

::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত গুৱাহাটীৰ লোকসেৱা ভৱনত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে জিলা আয়ুক্ত সন্মিলন চলি আছে। এই সন্মিলনতে মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই ২ অক্টোবৰত উপ জিলাৰ কাম-কাজসমূহ আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব বুলি প্ৰকাশ কৰিছে। সেই অনুসৰি কামৰূপ জিলাত দুখন উপ জিলা হ'ব। প্ৰথমে অস্থায়ী কাৰ্যালয়ৰ পৰাই উপ জিলাৰ কাম-কাজসমূহ চলিব। একে সময়তে স্থায়ী কাৰ্যালয়ৰ নিৰ্মাণ কাৰ্যও চলি থাকিব। আনহাতে উপ জিলা কাৰ্যালয়ৰ বাবে লোকনিৰ্মাণ বিভাগে প্ৰস্তুত কৰা নক্সা সংশিষ্ট জিলা উপায়ুক্তসকলক কাইলৈ সন্মিলনতে দেখুৱাব বুলি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই প্ৰকাশ কৰে। আনহাতে উপ জিলাৰ মহকুমাধিপতি সকলক ২ অক্টোবৰৰ পূৰ্বে প্ৰশিক্ষণ দিয়া হ'ব বুলি প্ৰকাশ কৰাৰ লগতে ১৫ আগষ্টৰ পূৰ্বে প্ৰয়োজনীয় সকলো আচবাববোৰ অস্থায়ী কাৰ্যালয়লৈ নিয়াৰো নিৰ্দেশ দিয়ে।

আয়ুক্ত সন্মিলনতে মুখ্যমন্ত্ৰীগৰাকীয়ে কেইখনমান জিলাৰ কাম-কাজক লৈ অসন্তুষ্টি প্ৰকাশ কৰি সংশ্লিষ্ট আয়ুক্তসকলক জিলা ভিত্তিক বৈষম্য দূৰ কৰিবলৈ নিৰ্দেশ দিয়ে। আয়ুক্তসকলক সপ্তাহত এদিন ক্ষেত্ৰ পৰ্যবেক্ষণ আৰু জিলাখনৰ বিশিষ্ট ব্যক্তিসকলৰ ঘৰলৈ যাবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। আনহাতে অতিৰিক্ত জিলা আয়ুক্তক সপ্তাহত দুদিন কাম-কাজ চোৱাচিতা কৰাৰ তেওঁ নিৰ্দেশ দিয়ে। একে সময়তে দৈনিক এক-তৃতীয়াংশ চৰকাৰী বিষয়াক জনসাধাৰণৰ মাজলৈ গৈ সমস্যাৰ বুজ ল'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। প্ৰত্যেক ১৫ দিনৰ অন্তৰত অভিভাৱক মন্ত্ৰীৰ সৈতে আয়ুক্তক ভিডিঅ' কনফাৰেন্সযোগে কাম-কাজ সন্দৰ্ভত আলোচনা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তসকলক আহ্বান জনায়। প্ৰয়োজনত অভিভাৱক মন্ত্ৰীক জিলা ভ্ৰমণৰ বাবে আয়ুক্তই দাবী কৰিব পাৰিব বুলিও এই সন্মিলনতে মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। একে সময়তে মুখ্যমন্ত্ৰীয়ে কয় যে, ছেপ্তেম্বৰৰ ভিতৰত প্ৰতিখন জিলাত নতুন আঁচনি ৰূপায়ণ কৰিব লাগিব আৰু ৰূপায়িত নোহোৱা পুৰণা কামসমূহ সমাধানৰ চেষ্টা কৰা হ'ব।

৩১ ডিচেম্বৰৰ পূৰ্বে নতুন পঞ্চায়তে দায়িত্ব ল'ব পৰাকৈ প্ৰয়োজনীয় সকলো কাম-কাজ কৰিবলৈ জিলা আয়ুক্তসকলক মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। একেটা প্ৰসংগতে মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলক কয় যে, পঞ্চায়তত তিনিটাতকৈ অধিক উন্নয়ন খণ্ড হ'ব নোৱাৰিব।

জিলা আয়ুক্তৰ সন্মিলনখনতে মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই চৰকাৰী কাৰ্যসূচীত কেৱল নিৰামিষ খাদ্য ব্যৱহাৰৰ নিৰ্দেশ দিছে। ৰাজ্যিক অতিথিৰ বাহিৰে কোনো চৰকাৰী বিভাগে আমিষ আহাৰেৰে অপ্যায়ন কৰাটো বাধা আৰোপ

কৰিছে। এই সন্মিলনতে আগষ্টত লখিমপুৰত কেবিনেট বৈঠক হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এই প্ৰসংগতে এতিয়াৰে পৰা গুৱাহাটীৰ বাহিৰত কেবিনেট হোৱাৰ দিনা মন্ত্ৰীসকল একেটা সময়তে নাযাবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে, মন্ত্ৰীসকল নিৰ্দিষ্ট সময়ৰ অন্তৰত গ'লে যান-বাহনৰ লগতে অন্য অসুবিধা নহয়। আনহাতে বেৰিকেড সাজি প্ৰতিবাদ ৰোধ বিচাৰিলে সকলো সমস্যাৰ সমাধান নহয় বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এতিয়া বেৰিকেড ৰখাৰ প্ৰয়োজন নাই। ৰাজ্যত ভি ভি আই পি সংস্কৃতি আঁতৰোৱাৰ পোষকতা কৰি মুখ্যমন্ত্ৰীৰ কনভয়তো ১০খনতকৈ অধিক গাড়ী থাকিব নোৱাৰিব বুলি তেওঁ প্ৰকাশ কৰে।

এই সন্মিলনতে শেহতীয়া বানত ক্ষতিগ্ৰস্তসকলক ১২ আগষ্টত সাহায্য প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ক্ষতিগ্ৰস্তক গৃহ নিৰ্মাণৰ বাবে ১ লাখ ২০ হাজাৰ টকা দিয়া হ'ব বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, সাহায্য প্ৰদানৰ ৭ দিন পূৰ্বে মঞ্জুৰি পত্ৰ বিতৰণ কৰা হ'ব।

oooooooo

অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰিৰ গোচৰত আজি বিশেষ ন্যায়াধীশৰ আদালতে আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালসহ ৩২ জনৰ বিৰুদ্ধে শাস্তিৰ ৰায় ঘোষণা কৰে। সেই অনুসৰি আদালতে ৰাকেশ কুমাৰ পালক দুৰ্নীতি প্ৰতিৰোধ আইন আৰু ভাৰতীয় দণ্ডবিধি আইনৰ ৪টাকৈ গুৰুত্বপূৰ্ণ ধাৰাত দোষী সাব্যস্ত কৰি ১৪ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ২ লাখ টকাৰ জৰিমনা বিহিছে। একেদৰে আয়োগৰ প্ৰাক্তন সদস্য চামেদুৰ ৰহমান আৰু বসন্ত কুমাৰ দলেক ১০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ২ লাখ টকাকৈ জৰিমনা বিহিছে। আনহাতে বক্ৰপথেৰে চাকৰি লোৱাৰ অভিযোগত দোষী সাব্যস্ত হোৱা ২৯ জন কৃষি উন্নয়ন বিষয়াক ৪ বছৰকৈ কাৰাদণ্ড আৰু ১০ হাজাৰ টকাকৈ জৰিমনা বিহিছে। উল্লেখযোগ্য যে কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰিৰ গোচৰত বিশেষ ন্যায়াধীশৰ আদালতে যোৱা ২২ জুলাইত ৰাকেশ কুমাৰ পালসহ ৩২ জনক দোষী সাব্যস্ত কৰিছিল।

oooooooo

দেশত স্বীকৃতি প্ৰাপ্ত ষ্টাৰ্টআপ উদ্যমসমূহে এই পৰ্যন্ত ১৫ লাখ ৫০ হাজাৰৰো অধিক কৰ্মসংস্থাপনৰ সৃষ্টি কৰিছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহৰ অধীনত গ্ৰহণ কৰা পদক্ষেপৰ সহায়ত ষ্টাৰ্টআপসমূহে অনাগত সময়ত অধিক কৰ্মসংস্থাপনৰ সৃষ্টি কৰাৰ লগতে যুৱ উদ্যমীসকলক আগবঢ়াই আনিব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ ঔদ্যোগীক বিকাশ আৰু অভ্যন্তৰীণ বাণিজ্য বিভাগে যোৱা ৩০ জুন পৰ্যন্ত এক লাখ ৪০ হাজাৰ ৮০৩টা ষ্টাৰ্টআপক স্বীকৃতি দিছে বুলি লোকসভাত দক্ষতা বিকাশ আৰু উদ্যামিতা দপ্তৰৰ স্বতন্ত্ৰ ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধাৰীয়ে এটা লিখিত উত্তৰত প্ৰকাশ কৰে। তেওঁ কয় যে, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়েও প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃষ্টি কাৰ্যসূচীৰ অধীনত কৃষি বৰ্হিভূত খণ্ডসমূহত উদ্যমিতাক উৎসাহিত কৰাৰ বাবে সাহায্য আগবঢ়াইছে। ইয়াৰ লগতে পৰম্পৰাগত কাৰু শিল্পী বা হস্তশিল্পী গ্ৰামীন আৰু নগৰীয়া কৰ্মসংস্থাপনহীন যুবক-যুৱতীসকলকো ইয়াৰ দ্বাৰা নিয়োগৰ সুবিধা দিয়াৰ চেষ্টা কৰা হৈছে বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে কয় যে, আৰম্ভণীৰে পৰা ৯ লাখ ৬৯ হাজাৰৰো অধিক ক্ষুদ্ৰ

উদ্যোগক প্ৰান্তীয় ৰাজ সাহায্য কাৰ্যসূচীৰ অধীনত ২৫ হাজাৰ ৫০০ কোটিতকৈও অধিক ধন প্ৰদানেৰে সহায় কৰা হৈছে। তদুপৰি প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ৭৯ লাখৰো অধিক লোকক কৰ্মসংস্থাপনৰ সুবিধা দিয়া হৈছে বুলি তেওঁ কয়। অহা দুটা বিত্তীয় বৰ্ষত মন্ত্ৰালয়ে এক লাখ ৬০ হাজাৰ নতুন উদ্যোগ প্ৰতিষ্ঠা কৰাৰ উপৰি ১২ লাখ ৮০ হাজাৰৰো অধিক লোকক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানৰ লক্ষ্য লৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। একেদৰে গ্ৰামোন্নয়ন মন্ত্ৰালয়ে দীনদয়াল অন্তোদয়া যোজনা-ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান ৰূপায়ণ কৰি গ্ৰামাঞ্চলৰ বহু লোকক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদান কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। কেন্দ্ৰীয় চৰকাৰে ২০১৬ চনৰ পৰা ব্যৱসায়িক সূচলতাৰ লক্ষ্যৰ ৫৫ টাৰো অধিক নীতিৰ ক্ষেত্ৰত সংস্কাৰ সাধন কৰিছে। আনহাতে ২০২৪-২৫  বিত্তীয় বৰ্ষৰ বাজেটত এঞ্জেল কৰৰ বিলোপ সাধন কৰি চৰকাৰে দেশৰ ব্যৱসায়িক ক্ষেত্ৰত অধিক বিদেশী পুঁজি বিনিয়োগৰ পথ প্ৰশস্ত কৰিছে বুলি তেওঁ প্ৰকাশ কৰে।

oooooooo

ঃসমাপ্তঃ